REGIONAL NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-08-2024
**Time :** 0900 hrs

*Assamese Morning Bulletin*

## HEADLINES

০০০০০০০০০

১। সমগ্ৰ দেশত ৭৮ সংখ্যক স্বাধীনতা দিৱস পালন। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ দেশবাসীলৈ শুভেচ্ছা জ্ঞাপন।

২। চৰকাৰে সামাজিক ন্যায়ত গুৰুত্ব আৰোপ কৰি অনুসূচিত জাতি-জনজাতি আৰু সমাজৰ অন্য উপান্ত শ্ৰেণীসমূহৰ বাবে কাম কৰি আহিছে বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ প্ৰকাশ।

৩। স্বাধীনতা সংগ্ৰামীসকলৰ একতা আৰু ত্যাগৰ আদৰ্শৰে আগবাঢ়ি গ'লে ২০৪৭ চনত বিকশিত ভাৰতৰ সপোন বাস্তৱত পৰিণত হ'ব বুলি লালকিল্লাৰ পৰা দিয়া ভাষণত প্ৰধানমন্ত্ৰীৰ মন্তব্য।

৪। দেশৰ ভিন্ন প্ৰান্তৰ লগতে অসমতো ব্যাপক উৎসাহ উদ্দীপনাৰে স্বাধীনতা দিৱস উদযাপন। গুৱাহাটীত আয়োজিত কেন্দ্ৰীয় কাৰ্যসূচীত পতাকা উত্তোলন কৰি বিগত ৮টা দশকত গণতান্ত্ৰিক আদৰ্শ আৰু প্ৰমূল্যবোধক আগবঢ়াই লৈ যোৱাৰ বাবে ৰাজ্যবাসীক মুখ্যমন্ত্ৰীৰ ধন্যবাদ জ্ঞাপন। আৰু

৫। প্ৰথম এন টি পি চি ৰাষ্ট্ৰীয় ৰেংকিং আৰ্চ্চাৰী প্ৰতিযোগিতাত বিশাল চাংমাই আৰু আনিশা দাসৰ জুনিয়ৰ ৰিকাৰ্ভ শাখাৰ ছিংগলছৰ প্ৰিকোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ।

০০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশবাসীক ৭৮ সংখ্যক স্বাধীনতা দিৱসৰ শুভেচ্ছা জনাইছে। তেওঁ কৈছে যে, ভাৰতে বিবিধতা আৰু বহুত্ববাদৰ সৈতে এখন সংবদ্ধ ৰাষ্ট্ৰ হিচাপে আগবাঢ়িছে আৰু অৰ্জিত সামাজিক বিন্যাসক লৈ মতানৈক্য সৃষ্টি কৰিব পৰা প্ৰবৃত্তিসমূহ প্ৰত্যাখ্যান কৰিছে। স্বাধীনতা দিৱসৰ প্ৰাকসন্ধিয়া কালি ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ দি ৰাষ্ট্ৰীপতিগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে দেশৰ সমাজ জীৱনৰ প্ৰতিটো দিশতে অন্তৰ্ভুক্তিৰ ভাৱনা বিয়পি আছে। সংবিধান প্ৰণেতা ড০ বি আৰ আম্বেদকাৰৰ উদ্ধৃতিৰে ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, সামাজিক গণতন্ত্ৰ অবিহনে ৰাজনৈতিক গণতন্ত্ৰ দীৰ্ঘস্থায়ী হব নোৱাৰে। তেওঁ কয় যে, চৰকাৰে সামাজিক ন্যায়ত সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছে আৰু চৰকাৰে অনুসূচীত জাতি, অনুসূচীত জনজাতি আৰু সমাজৰ অন্য উপান্ত শ্ৰেণীসমূহৰ বাবে ভালেমান কল্যাণমূলক উদ্যম গ্ৰহণ কৰিছে। শ্ৰীমতী মুৰ্মুৱে কয় যে, ভাৰতবৰ্ষ ৮ শতাংশৰ বাৰ্ষিক গড় বিকাশ হাৰেৰে বিশ্বত সবাতোকৈ দ্ৰুত বিকাশশীল গুৰুত্বপূৰ্ণ অৰ্থব্যৱস্থাসমূহৰ অন্যতম হৈ উঠিছে। তেওঁ কয় যে, ইয়াৰ ফলত অকল জনসাধাৰণৰ হাতলৈ অধিক ধন অহাই নহয় বৰং দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা লোকৰ সংখ্যাও

চকুত লগা ধৰণে হ্ৰাস পাইছে। ভাৰত বিশ্বৰ পঞ্চম সৰ্ববৃহৎ অৰ্থব্যৱস্থা হিচাপে পৰিণত হোৱা বুলি উল্লেখ কৰি শ্ৰীমতী মুৰ্মুৱে অনাগত সময়ত দেশ বিশ্বৰ তৃতীয় সৰ্ববৃহৎ অৰ্থব্যৱস্থা হ্ব বুলি আস্থা প্ৰকাশ কৰে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশবাসীলৈ ৭৮ সংখ্যক স্বাধীনতা দিৱসৰ শুভেচ্ছা জনাইছে। নতুন দিল্লীৰ লালকিল্লাত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে স্বাধীনতা দিৱসৰ এই শুভক্ষণত স্বাধীনতাৰ বাবে প্ৰাণ আহুতি দিয়া আৰু আজীৱন সংঘৰ্ষ কৰা প্ৰতিজন স্বাধীনতা সংগ্ৰামীক স্মৰণ কৰে। শ্ৰী মোদীয়ে ভাষণ প্ৰসংগত কয় যে, দেশৰক্ষা তথা দেশ নিৰ্মাণ কৰা প্ৰতিজন কৃষক, জোৱান, যুৱক-যুৱতী, মহিলা, শোষিত আৰু বঞ্চিত বৰ্গৰ দেশৰ প্ৰতি নিষ্ঠা বিশ্বৰ বাবে প্ৰেৰণাৰ বিষয়। তেওঁ লগতে কয় যে, স্বাধীনতাৰ পূৰ্বৰ সময়ছোৱা সংঘৰ্ষৰ সময় আছিল। সমাজৰ প্ৰতিটো বৰ্গৰ লোকৰ নিঃস্বাৰ্থ দেশপ্ৰেম আৰু ত্যাগৰ ফলস্বৰূপে দেশে স্বাধীনতা লাভ কৰিলে। ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহৰ উদ্ধৃতি দি তেওঁ কয় যে, ইয়াৰ পূৰ্বেও দেশৰ বিভিন্ন প্ৰান্তত ঔপনিবেশিক শাসনৰ বিৰুদ্ধে আদিবাসী সকলে তীব্ৰ আন্দোলন গঢ়ি তুলিছিল।

স্বাধীনতাৰ বাবে দেশবাসীয়ে যি একতা আৰু ত্যাগেৰে সংগ্ৰাম কৰি গ'ল সেই একেই সংকল্পৰে যদি আজি ১৪০ কোটি দেশবাসীয়ে দেশৰ বাবে সেৱা আগবঢ়াই তেন্তে ২০৪৭ চনত বিকশিত ভাৰতৰ সপোন বাস্তৱত পৰিণত হ'ব বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। লালকিল্লাৰ পৰা দিয়া ভাষণত প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে, বিকশিত ভাৰতৰ উদ্দেশ্য আগত ৰাখি **দেশ প্ৰথম** নীতিৰ আধাৰত তেওঁৰ চৰকাৰে বহুতো পৰিৱৰ্তন আনিছে আৰু এই ক্ষেত্ৰত দেশবাসীৰ নীতি-পৰামৰ্শ গ্ৰহণ কৰা হৈছে। শ্ৰী মোদীয়ে **ভ'কেল ফৰ ল'কেল** মন্ত্ৰৰ সফলতাত আনন্দ প্ৰকাশ কৰি কয় যে, এই মন্ত্ৰৰ আধাৰত প্ৰতিখন জিলাই আজি নিজৰ উৎপাদিত সামগ্ৰীৰ ওপৰত গৌৰৱ অনুভৱ কৰিব পাৰিছে। **এখন জিলা, এটা উৎপাদন** ৰাইজৰ মাজত আজি জনপ্ৰিয় হৈ পৰিছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে শেহতীয়াকৈ হোৱা প্ৰাকৃতিক দুৰ্যোগৰ বাবে সন্মুখীন হোৱা প্ৰত্যাহ্বানৰ বাবে উদ্বেগ প্ৰকাশ কৰে। দুৰ্যোগত ক্ষতিগ্ৰস্ত হোৱা লোকসকলৰ প্ৰতি সমবেদনা জ্ঞাপন কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে, এই বিপদৰ সময়ছোৱাত চৰকাৰ তেওঁলোকৰ কাষত আছে।

উল্লেখযোগ্য যে লালকিল্লাত স্বাধীনতা দিৱসৰ কাৰ্যসূচীলৈ বিভিন্ন দেশৰ প্ৰতিনিধিৰ লগতে পেৰিছ অলিম্পিকত অংশগ্ৰহণকাৰী খেলুৱৈসকল আৰু বিভিন্ন ক্ষেত্ৰৰ ৬ হাজাৰ বিশিষ্ট ব্যক্তি বিশেষ অতিথি হিচাপে উপস্থিত থাকে।

০০০০০০০০০

দেশৰ বিভিন্ন প্ৰান্তৰ লগতে অসমতো ব্যাপক উৎসাহ-উদ্দীপনাৰে আজি ৭৮ সংখ্যক স্বাধীনতা দিৱস উদযাপন কৰা হৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীৰ খানাপাৰা পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত আয়োজিত কেন্দ্ৰীয় কাৰ্যসূচীত অংশগ্ৰহণ কৰি ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। পতাকা উত্তোলনৰ পাছত ৰাজ্যবাসীক উদ্দেশ্যি মুখ্যমন্ত্ৰীয়ে ভাষণ প্ৰদান কৰে। ভাষণৰ আৰম্ভণিতে মুখ্যমন্ত্ৰীগৰাকীয়ে দেশৰ বাবে প্ৰাণ আহুতি দিয়া প্ৰতিগৰাকী ব্যক্তিলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ৰাজ্যবাসীয়ে ব্যাপক উৎসাহ-উদ্দীপনাৰে হৰ ঘৰ তিৰংগা কাৰ্যসূচী পালন কৰাৰ বাবে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সকলোলৈকে ধন্যবাদ জ্ঞাপন কৰে। মা কামাখ্যা আৰু শংকৰদেৱৰ

পৱিত্ৰ ভূমিৰ পৰা সমূহ অসমবাসীৰ হৈ মুখ্যমন্ত্ৰীয়ে তৃতীয়টো কাৰ্যকালৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ শুভ কামনা জ্ঞাপন কৰে। কেইদিনমানৰ পূৰ্বে ঐতিহ্যমণ্ডিত চৰাইদেউ মৈদামক ইউনেস্ক'ৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰৰূপে স্বীকৃতি দিয়াৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে আগবঢ়োৱা সহযোগিতাৰ বাবে মুখ্যমন্ত্ৰীয়ে ধন্যবাদ জ্ঞাপন কৰে। ইয়াৰ উপৰি সংকটপূৰ্ণ পৰিস্থিতিত সীমান্ত সুৰক্ষা বাহিনী আৰু অসম আৰক্ষীৰ জোৱানসকলে আগবঢ়োৱা সেৱাৰ বাবে জোৱানসকললৈ মুখ্যমন্ত্ৰীয়ে ধন্যবাদ জ্ঞাপন কৰে।

উল্লেখযোগ্য যে, গুৱাহাটীত চৰকাৰী কাৰ্যসূচী আজি পুৱা চাৰে ৪ বজাত **প্ৰভাতী গীতাঞ্জলি**ৰে আৰম্ভ কৰাৰ পাছত ৭ বজাত চৰকাৰে কাৰ্যবাহীসকলৰ বাসভৱনত আৰু চাৰে ৭ বজাত সকলো চৰকাৰী, অৰ্ধচৰকাৰী কাৰ্যালয় আৰু শিক্ষানুষ্ঠানত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰা হয়। পুৱা ৭ বাজি ৪৫ মিনিটৰ পৰা কুচকাৱাজত ভাগ ল'বলগীয়া দলসমূহ আৰু ৮ বাজি ১৫ মিনিটৰ পৰা নিমন্ত্ৰিত অতিথি তথা জনসাধাৰণ খানাপাৰা পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত উপস্থিত হোৱাৰ পাছত পুৱা ৯ বজাত মুখ্যমন্ত্ৰীয়ে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰাৰ লগতে অভিবাদন গ্ৰহণ কৰে। এই অনুষ্ঠানত অসম আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীয়ে কুচকাৱাজ প্ৰদৰ্শন কৰে। পতাকা উত্তোলন কাৰ্যসূচীৰ পাছত পুৱা ১০ বজাত  গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰৰ কাৰাবন্দী, ৰাজ্যিক কৰ্কট প্ৰতিষ্ঠান, গুৱাহাটী চিকিৎসা মহাবিদ্যালয়, বি বৰুৱা কৰ্কট চিকিৎসালয় আৰু যক্ষ্মা চিকিৎসালয়ৰ ৰোগীসকলৰ লগতে বিভিন্ন অনাথ আশ্ৰম, মুক-বধিৰ বিদ্যালয় আদিৰ ছাত্ৰ-ছাত্ৰীৰ মাজত আৰু আন ভিন ভিন অনুষ্ঠান-প্ৰতিষ্ঠানত ফলমূল আদি বিতৰণ কৰা হয়। স্বাধীনতা দিৱসৰ কাৰ্যসূচীৰ অংশ হিচাপে সন্ধিয়া চাৰে ৬ বজাত চৰকাৰী কাৰ্যালয়, নাগৰিকৰ বাসগৃহ আদিত বন্তি প্ৰজ্বলন কৰা হ'ব। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই ৰাজ্যবাসীক স্বাধীনতা দিৱস উপলক্ষে শুভেচ্ছা জ্ঞাপন কৰিছে।

ৰাজ্য চৰকাৰৰ মন্ত্ৰীসকলৰ লগতে স্বায়ত্তশাসিত পৰিষদসমূহৰ মুখ্য কাৰ্যবাহী সদস্যসকলে বিভিন্ন ঠাইত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে বঙাইগাঁৱত, অতুল বৰাই নগাঁৱত, উৰ্খাও গৌড়া ব্ৰহ্মই দৰঙত, চন্দ্ৰমোহন পাটোৱাৰীয়ে কামৰূপত, কেশৱ মহন্তই হোজাইত, ডাঃ ৰণোজ পেগুৱে লখিমপুৰত, অশোক সিংহলে শোণিতপুৰত, যোগেন মহনে যোৰহাটত, সঞ্জয় কিষাণে তিনিচুকীয়াত, অজন্তা নেওগে গোলাঘাটত, পীযুষ হাজৰিকাই গোৱালপাৰাত, বিমল বৰাই ডিব্ৰুগড়ত, নন্দিতা গাৰ্লোছাই শিলচৰত, জয়ন্ত মল্লবৰুৱাই নলবাৰীত পতাকা উত্তোলন কৰে। আনহাতে, বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে কোকৰাঝাৰত, কাৰ্বিআংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী তুলিৰাম ৰংহাঙে ডিফুত, উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দেৱলাল গাৰ্লোছাই হাফলঙত, বিটিআৰৰ উপ-মুখ্য কাৰ্যবাহী সদস্য গোবিন্দ চন্দ্ৰ বসুমতাৰীয়ে ওদালগুৰিত আৰু অসম বিধানসভাৰ উপাধ্যক্ষ ডাঃ নোমল মমিনে চৰাইদেউত পতাকা উত্তোলন কৰে।

ইপিনে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ চৌহদতো স্বাধীনতা দিৱস উপলক্ষে বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়। আকাশবাণী গুৱাহাটীৰ চানমাৰিস্থিত কাৰ্যালয়ত অভিযান্ত্ৰিক শাখাৰ সঞ্চালক ৰবীন চন্দ্ৰ বড়োৱে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। জালুকবাৰীস্থিত ট্ৰান্সমিটাৰ কমপ্লেক্সৰ অভিযান্ত্ৰিক শাখাৰ অতিৰিক্ত সঞ্চালক ডি কে গগৈ আৰু নৰকাসুৰ পাহাৰত অৱস্থিত এফ এম ট্ৰান্সমিটাৰত আকাশবাণী গুৱাহাটীৰ সহকাৰী অভিযন্তা অৰুণ কুমাৰে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে।

oooooooo

কেন্দ্ৰীয় চৰকাৰে স্বাধীনতা দিৱস উপলক্ষে আৰক্ষী, অগ্নিনিৰ্বাপক, গৃহৰক্ষী তথা অসামৰিক প্ৰতিৰক্ষা আৰু সংশোধনী সেৱাৰ এহেজাৰ ৩৭ জন জোৱানক বীৰত্ব আৰু সেৱাৰ পদক প্ৰদান কৰিছে।

অসম আৰক্ষীৰ ১৪ গৰাকী বিষয়া জোৱানলৈ এইবাৰ বিশিষ্ট আৰু উৎকৃষ্ট সেৱাৰ বাবে পদক আগবঢ়োৱা হৈছে। অসম আৰক্ষীৰ উপ মহাপৰিদৰ্শক ৰত্না সিংহই উল্লেখনীয় সেৱাৰ বাবে ৰাষ্ট্ৰপতি পদক লাভ কৰে। আনহাতে অসম আৰক্ষীৰ উপ-মহাপৰিদৰ্শক বিজয় গিৰি কুলিগাম, আৰক্ষী অধীক্ষক মিহিৰজিৎ গায়ন, আৰক্ষী অধীক্ষক ৰঞ্জন ভূঞা, আৰক্ষী অধীক্ষক সিংহৰাম মিলি, উপ পৰিদৰ্শক ত্ৰৈলোক্য শৰ্মা, নায়ক বিজু লহকৰ, উপ পৰিদৰ্শক বিপুল শইকীয়া, নায়ক প্ৰফুল্ল ডেকা, সহকাৰী উপ পৰিদৰ্শক কামিনী ডেকা, নায়ক শৈলেন কাকতি, পৰিদৰ্শক মনোজ কুমাৰ সিং, নায়ক কান্ত সিংহ আৰু নায়ক ইনামুল হকক বিশিষ্ট সেৱাৰ পদকৰ বাবে নিৰ্বাচিত কৰা হয়।

০০০০০০০০০

দেশৰ ৭৮ সংখ্যক স্বাধীনতা দিৱসৰ প্ৰাক মুহূৰ্তত দুৰ্যোগপূৰ্ণ পৰিস্থিতিত সেৱা আগবঢ়োৱা অসম আৰক্ষী, এছ্ ডি আৰ এফ, আৰু অগ্নিনিৰ্বাপক বাহিনীৰ ৫২ গৰাকী বিষয়া-জোৱানলৈ মুখ্যমন্ত্ৰীৰ বিশেষ সেৱা পদক আগবঢ়োৱা হৈছে।

০০০০০০০

পঞ্চায়তী ৰাজ মন্ত্ৰালয়ৰ অধীনত কালি নতুন দিল্লীত পঞ্চায়তত মহিলাৰ নেতৃত্ব বিষয়ক এখন ৰাষ্ট্ৰীয় কৰ্মশালা অনুষ্ঠিত হয়। এই কৰ্মশালাত দেশৰ বিভিন্ন প্ৰান্তৰ ১৬০ গৰাকীৰো অধিক পঞ্চায়ত প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত ভাষণ দি পুডুচেৰীৰ প্ৰাক্তন উপ ৰাজ্যপাল কিৰণ বেদীয়ে তৃণমূল পৰ্যায়ত পঞ্চায়তৰ বিভিন্ন সমস্যা সন্দৰ্ভত আলোকপাত কৰি পঞ্চায়ত প্ৰতিনিধিসকলক সেইসমূহৰ সমাধানৰ পৰামৰ্শ প্ৰদান কৰে। তেওঁ কয় যে-পঞ্চায়ত চৰপঞ্চসকলে তেওঁলোকৰ দায়িত্বসমূহ গ্ৰহণ কৰা উচিত কিয়নো দেশৰ দুই-তৃতীয়াংশ লোক গ্ৰাম্য ভাৰতত বাস কৰে।

ইপিনে অসমৰ গোৱালপাৰাৰ জিলাৰ ৰংজুলি গাঁৱৰ এগৰাকী  লাখপতি বাইদেউৱে কালি কেন্দ্ৰীয় কৃষি আৰু গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানৰ সৈতে মত বিনিময় কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে মহিলাগৰাকীক অভিনন্দন জ্ঞাপন কৰিছে।

০০০০০০০

বিশাল চাংমাই আৰু আনিশা দাসে গুৱাহাটীৰ নেহৰু ষ্টেডিয়ামত চলি থকা ল'ৰা-ছোৱালীৰ প্ৰথম এন টি পি চি ৰাষ্ট্ৰীয় ৰেকিং আৰ্চাৰী প্ৰতিযোগিতাত জুনিয়ৰ ৰিকাৰ্ভ শাখাৰ ছিংগলছৰ প্ৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। প্ৰাৰম্ভিক ৰাউণ্ডত বিশালে মুঠ ৬৫৩ পইণ্ট অৰ্জন কৰি একাদশ স্থানত থকাৰ বিপৰীতে ৬২৬ পইণ্টেৰে সপ্তম স্থানত থাকে। উল্লেখযোগ্য যে ৮ দিনীয়া প্ৰতিযোগিতাখনৰ প্ৰথম দুটা দিনত ছিনিয়ৰ শাখাৰ খেল অনুষ্ঠিত হোৱাৰ পাছত কালিৰে পৰা দুদিনীয়াকৈ জুনিয়ৰ ল'ৰা আৰু ছোৱালীৰ ৰিকাৰ্ভ আৰু কম্পাউণ্ড শাখাৰ খেল অনুষ্ঠিত হৈছে। অহা ১৭ - ১৮ আগষ্টত ছাব জুনিয়ৰ খেল অনুষ্ঠিত হ'ব।

০০০০০০০০

ক্ৰীড়া চালিছী আদালতে পেৰিছ অলিম্পিকত মহিলাৰ মল্লযুঁজত ৫০ কিলোগ্ৰাম ওজন শাখাত ৰূপৰ পদক প্ৰদানৰ বাবে ভাৰতীয় মল্লযোদ্ধা ৱিনেশ ফোগটে জনোৱা আৱেদন খাৰিজ কৰাৰ পাছত ভাৰতীয় অলিম্পিক সংস্থাই অন্য আইনী বিকল্পৰ অন্বেষণ কৰিছে। ভাৰতীয় অলিম্পিক সংস্থাৰ অধ্যক্ষ পি টি উষাই United World Wrestling আৰু আন্তঃৰাষ্ট্ৰীয় অলিম্পিক কমিটীৰ বিৰুদ্ধে ৱিনেশ ফোগটে জনোৱা আৱেদন সন্দৰ্ভত চালিছী আদালতৰ ৰায়ক লৈ আশ্বৰ্য প্ৰকাশ কৰিছে। ভাৰতীয় অলিম্পিক সংস্থাই এটা বিবৃতি যোগে কৈছে যে, ৱিনেশ ফোগটৰ বিষয়টো চালি-জাৰি চোৱাটো সুনিশ্চিত কৰিবলৈ সংস্থাটো বদ্ধ পৰিকৰ। খেলুৱৈ আৰু খেলৰ সৈতে জড়িত সকলোৰে অধিকাৰ আৰু মৰ্যাদা সুনিশ্চিত কৰাৰ উদ্দেশ্যে সংস্থাটোৱে ক্ৰীড়া ক্ষেত্ৰত ন্যায় আৰু নিৰপেক্ষতাৰ পোষকতা কৰি যাব বুলি অধ্যক্ষগৰাকীয়ে মন্তব্য কৰে।

০০০০০০০

## *News Paper Review*

গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহে আজি ভিন ভিন বাতৰি প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।স্বাধীনতা দিৱসৰ প্ৰাক্‌সন্ধ্যা ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ৰাষ্ট্ৰক উদ্দেশ্যি দিয়া ভাষণত ৰাষ্ট্ৰীয় শিক্ষা নীতিয়ে যুৱ প্ৰজন্মৰ মাজত নতুন মানসিকতাৰ জন্ম দিছে বুলি প্ৰকাশ কৰা বাতৰিটো *দৈনিক অসম* কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। *অসমীয়া খবৰ* কাকতে ঐতিহাসিক অসম চুক্তিৰ ৪০ বছৰ সম্পূৰ্ণ হোৱা বাতৰিটো প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰিত স্থান দিছে। কাকতখনে ২০ গৰাকী জ্যেষ্ঠ সাংবাদিকলৈ ৰাজ্য চৰকাৰে চলিত বৰ্ষৰ পেঞ্চন প্ৰদান কৰিবলৈ সিদ্ধান্ত লোৱা বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি হাজোত অসমৰ দ্বিতীয়গৰাকী মুখ্যমন্ত্ৰী তথা প্ৰথম অসমীয়া ৰাজ্যপাল লৌহমানৱ বিষ্ণুৰাম মেধিৰ প্ৰতিমূৰ্তি উন্মোচন কৰে। মুখ্যমন্ত্ৰীয়ে প্ৰয়াত বিষ্ণুৰাম মেধিৰ হাজোৰ ভৰালীতোলাৰ নিজ বাসভৱনত ৭ফুট উচ্চতাৰ প্ৰতিমূৰ্তি উন্মোচন কৰি লৌহমানৱ গৰাকীয়ে আৰু ১০ বছৰ মুখ্যমন্ত্ৰীৰূপে কাৰ্যনিৰ্বাহ কৰা হলে অসম আৰু অসমীয়াৰ ভৱিষ্যৎ আজিৰ দৰে অসুৰক্ষিত নহলহেতেন বুলি মন্তব্য কৰে। বাতৰিটো আজি প্ৰকাশিত প্ৰায়কেইখন কাকতৰ লগতে *দৈনিক অগ্ৰদূত* কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। কাকতখনে মল্লযুঁজাৰু ৱিনেশ ফ’গাটৰ আবেদন আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়া আদালতে খাৰিজ কৰা বাতৰিটো আলোকচিত্ৰসহ প্ৰথম পৃষ্ঠাত স্থান দিছে। কেন্দ্ৰীয় চৰকাৰে স্বাধীনতা দিৱস উপলক্ষে আৰক্ষীসকললৈ বীৰত্ব আৰু সেৱাৰ পদক আগবঢ়োৱা বাতৰিটো *দা টাইমচ অফ ইণ্ডিয়া* আৰু *দি আছাম ট্ৰিবিউন* কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। *দৈনিক জনমভূমি* কাকতৰ দুটা গুৰুত্বপূৰ্ণ বাতৰিৰ শিৰোনাম **মুক্তিযুঁজাৰুৰ ত্যাগৰ ফলতে দেশৰ আত্মাই সাৰ পালে শতিকাজোৰা নিদ্ৰাৰ পৰা** আৰু **খানাপাৰাত পতাকা উৰুৱাব মুখ্যমন্ত্ৰীয়ে।** নতুন দিল্লীত অনুষ্ঠিত স্বাধীনতা দিৱসৰ অনুষ্ঠানলৈ কেন্দ্ৰীয় চৰকাৰে অসমৰ ৭০গৰাকী ব্যক্তিক আমন্ত্ৰণ জনোৱাৰ বাতৰিটো *নিয়মীয়া বাৰ্তা* কাকতখনে গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।ৰাজ্যচৰকাৰে শেহতীয়াকৈ মাতৃ-পিতৃ বন্দনাৰ বাবে চৰকাৰী কৰ্মচাৰীসকলক ৭ আৰু ৮ নৱেম্বৰত বিশেষ ছুটী ঘোষণা কৰিছিল যদিও এই ঘোষণাৰ পৰা শিক্ষকসকল বাদ পৰিছিল বিষয়টোক লৈ শিক্ষক সমাজে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰাৰ পাছত ৰাজ্য চৰকাৰৰ বিদ্যালয় শিক্ষা বিভাগে শিক্ষকসকলৰ বাবেও অহা ৮ আৰু ৯ নৱেম্বৰত মাতৃ-পিতৃ বন্দনাৰ বিশেষ ছুটী প্ৰদান কৰিছে। বাতৰিটো *নিয়মীয়া বাৰ্তা* কাকতখনে প্ৰকাশ কৰিছে। মেঘালয় চৰকাৰে বৰ্ণিহাটৰ ভয়ানক প্ৰদূষণৰ বিৰুদ্ধে ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণত গোচৰ তৰাৰ ভাবুকি দিয়াৰ বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে- কাৰ জৰিয়তে বাংলাদেশীক নাগৰিকত্ব দিয়াৰ তীব্ৰ প্ৰতিক্ৰিয়া, দেশ বিভাজনৰ দুঃসহ স্মৃতি ৰোমন্থন ৰাষ্ট্ৰপতি মুৰ্মুৰ, স্বাধীনতাই অমৃত কাল গৰকাৰ পিছতো পুনৰ ঠন ধৰি উঠিব নোৱাৰিলে ভোগালী শদিয়াই। দিল্লী পঞ্জাৱত হাই এলাৰ্ট জাৰি, ভয়ংকৰ আক্ৰমণৰ পৰিকল্পনা সন্ত্ৰাসবাদী সংগঠনৰ ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০০০০

**সমাপ্ত**